**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 30-08-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুম্বাইৰ জিঅ' ৱাৰ্ল্ড কনভেনছন চেণ্টাৰত গ্ল'বেল ফিনটেক ফেষ্ট ২০২৪ ত ভাষণ দিব।

২। কয়লা মন্ত্ৰালয়ে লজিষ্টিক পৰিকল্পনাৰ অধীনত ৩৮টা প্ৰাথমিক ৰে'ল প্ৰকল্প চিনাক্ত কৰিছে।

৩। নতুন দিল্লীত দলৰ মুখ্য কাৰ্যালয়ত কালি বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ বৈঠক অনুষ্ঠিত হৈ যায়।

৪। বিহাৰৰ ৰাজগীৰত অহা ১১ নৱেম্বৰৰ পৰা চলিত বৰ্ষৰ মহিলাৰ এছিয়ান চেম্পিয়ন ট্ৰফী প্ৰতিযোগিতা আৰম্ভ হ'ব।

*আৰু*

৫। পেৰিছ পেৰালিম্পিকত ভাৰতীয় মিক্সড কম্পাউণ্ড আৰ্চাৰী দলত শীতলা দেৱী আৰু ৰাকেশ কুমাৰে নতুন অভিলেখ গঢ়িবলৈ সক্ষম হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ মুম্বাই আৰু পালঘৰ ভ্ৰমণ কৰিব । পুৱা প্ৰায় ১১ বজাত প্ৰধানমন্ত্ৰীয়ে মুম্বাইৰ জিঅ' ৱৰ্ল্ড কনভেনচন চেণ্টাৰত গ্ল'বেল ফিনটেক ফেষ্ট ২০২৪ত ভাষণ দিব।

প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াৰ পিছত দিনৰ ডেৰ বজাত পালঘৰৰ চিডকো খেলপথাৰত বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ বধ্বন বন্দৰৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পৰ ব্যয় প্ৰায় ৭৬ হাজাৰ কোটি টকা। বিশ্বমানৰ সামুদ্ৰিক প্ৰৱেশদ্বাৰ স্থাপন কৰাই এই প্ৰকল্পৰ লক্ষ্য। দেশৰ বাণিজ্য আৰু অৰ্থনৈতিক বিকাশত এই প্ৰকল্পই সহায় কৰিব। পালঘৰ জিলাৰ দহানু চহৰৰ সমীপত অৱস্থিত বধ্বন বন্দৰ ভাৰতৰ অন্যতম বৃহৎ গভীৰ পানীৰ বন্দৰ হ'ব আৰু ই আন্তঃৰাষ্ট্ৰীয় জাহাজ পথৰ সৈতে প্ৰত্যক্ষ যোগাযোগ স্থাপন কৰিব। ইয়াৰ ফলত পৰিৱহণৰ সময় আৰু খৰচ যথেষ্ঠ হ্ৰাস পাব। ইয়াৰ উপৰিও প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰায় এক হাজাৰ ৫৬০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হবলগীয়া ২১৮টা মীন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই

পদক্ষেপসমূহে মীন খণ্ডত পাঁচ লাখৰো অধিক কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে।

০০০০০

কয়লা মন্ত্ৰালয়ে কয়লা লজিষ্টিক পৰিকল্পনাৰ অধীনত ৩৮টা প্ৰাথমিক ৰে'ল প্ৰকল্প চিনাক্ত কৰিছে। ৰে'ল মন্ত্ৰালয়ৰ সৈতে ঘনিষ্ঠ সমন্বয়ত এই প্ৰকল্পসমূহ দ্ৰুতগতিত আগুৱাই নিয়া হব। ৰেল সংযোগ উন্নত কৰা, সময়মতে কয়লা যোগান নিশ্চিত কৰা, লজিষ্টিক খৰচ হ্ৰাস কৰা, আৰু সমগ্ৰ দেশতে কয়লা পৰিবহণৰ সামগ্ৰিক কাৰ্যক্ষমতা বৃদ্ধি কৰাই প্ৰকল্পসমূহৰ প্ৰধান লক্ষ্য হব । এই প্ৰকল্পসমূহৰ ভিতৰত শেহতীয়াকৈ চৰকাৰে ওড়িশাত দুটা উল্লেখযোগ্য ৰে'ল প্ৰকল্পত অনুমোদন জনাইছে। চৰ্ডেগা-ভালুমুডা ডাবল লাইন প্ৰকল্পৰ জড়িয়তে মহানদী কয়লাফিল্ডছ লিমিটেডৰ দ্বাৰা পৰিচালিত খনি আৰু কেইবাটাও ব্যক্তিগত খনিৰ পৰা কয়লা আহৰণ কৰাত সুবিধা হ'ব। একেদৰে বৰগড় -নৱাপাৰা পথৰ এটা লাইনযুক্ত নতুন ৰেলপথে কয়লাক্ষেত্ৰৰ পৰা কয়লা আহৰণত সহায় কৰিব।

০০০০০

নতুন দিল্লীত দলৰ মুখ্য কাৰ্যালয়ত কালি বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ বৈঠক অনুষ্ঠিত হৈ যায়। বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা দলৰ হাৰিয়ানাৰ নিৰ্বাচন প্ৰভাৰি তথা কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানকে ধৰি আন কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত আছিল। আসন্ন হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰাৰ বাবে এই বৈঠক অনুষ্ঠিত হৈছিল। ইপিনে নতুন দিল্লীত কালি বিয়লি হাৰিয়ানা বিজেপিৰ কোৰ কমিতিৰ বৈঠকো অনুষ্ঠিত হৈ যায়। জে পি নাড্ডাৰ বাসভৱনত অনুষ্ঠিত এই বৈঠকত অমিত শ্বাহকে ধৰি বহুকেইগৰাকী নেতা উপস্থিত আছিল।

০০০০০

নিউয়ৰ্কত থকা আন্তঃৰাষ্ট্ৰীয় ৰেটিং সংস্থা মুদীয়ে চলিত বৰ্ষৰ বাবে ভাৰতৰ বাস্তৱিক মুঠ ঘৰুৱা উৎপাদনৰ হাৰৰ ৭ দশমিক  ২ শতাংশ হ'ব বুলি অনুমান কৰিছে। সংস্থাটোৱে পূৰ্বে এই বৃদ্ধিৰ হাৰ ৬ দশমিক ৮ শতাংশ হ'ব বুলি অনুমান কৰিছিল। সংস্থাটোৱে লগতে ২০২৫ বৰ্ষত ভাৰতৰ জি ডি পি পূৰ্বে অনুমান কৰা ৬ দশমিক ৪ শতাংশ সলনি ৬ দশমিক ৬ শতাংশলৈ বৃদ্ধি হ'ব বুলি কৈছে। সংস্থাটোৱে কৈছে যে, কঠোৰ মুদ্ৰানীতি আৰু বিত্তীয় একত্ৰিকৰণৰ প্ৰয়াসৰ পাছতো চলিত বৰ্ষৰ প্ৰথম তিনিমাহত ভাৰতৰ অৰ্থ ব্যৱস্থা ৭ দশমিক ৮ শতাংশলৈ বৃদ্ধি পাইছে। ইয়ে দেশখনৰ ঔদ্যোগিক আৰু সেৱা ক্ষেত্ৰৰ টনকিয়াল পৰিস্থিতি প্ৰতিফলিত কৰিছে।

০০০০০

শিক্ষা মন্ত্ৰালয়ৰ উদযোগত বহুভাষিকতা, বিদ্যালয়ত শিক্ষাৰ মাধ্যম আৰু শিক্ষাৰ্থীসকলৰ বাবে স্থানীয় ভাৰতীয় ভাষাত শিক্ষাৰ গুৰুত্ব সম্পৰ্কীয় এখন গুৰুত্বপূৰ্ণ বৈঠক

অনুষ্ঠিত কৰা হয়। বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগৰ সম্পাদক সঞ্জয় কুমাৰৰ অধ্যক্ষতাত নতুন দিল্লীত অনষ্ঠিত বৈঠকখনত জ্যেষ্ঠ বিষয়া আৰু বিশেষজ্ঞসকলে অংশগ্ৰহণ কৰে। মন্ত্ৰালয়ে জোৰ দি কয় যে এটাতকৈ অধিক ভাষাৰ জ্ঞানে শিক্ষাৰ্থীৰ ব্যক্তিগত দক্ষতা বিকাশই তোলে। শিক্ষণত মাতৃভাষাৰ তাৎপৰ্য্যৰ ওপৰত আলোকপাত কৰি মন্ত্ৰালয়ে কয় যে সৰু ল'ৰা-ছোৱালীয়ে মাতৃভাষাৰ মাধ্যমেৰে অধিক সোনকালে শিকিব পাৰে।

ooooo

জম্মু-কাশ্মীৰৰ নিৰ্বাচন প্ৰক্ৰিয়াৰ স্বচ্ছতা বৰ্তাই ৰখাৰ লগতে আসন্ন বিধানসভা নিৰ্বাচনত সকলো প্ৰাৰ্থীয়ে যাতে সমান সুবিধা লাভ কৰে সেইটো সুনিশ্চিত কৰাৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগে গ্ৰহণ কৰা অভিযানৰ সময়ছোৱাত বিভিন্ন সংস্থাই কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ বিভিন্ন স্থানৰ পৰা নিৰ্বাচন আচৰণবিধি বলৱৎ হোৱাৰ প্ৰথম ১২ দিনৰ সময়ত পাঁচ কোটি ৭১ লাখ টকাৰ নগদ ধনৰ লগতে নিচাযুক্ত দ্ৰব্য আৰু সুৰা জব্দ কৰিছে। অহা ১৮ ছেপ্তেম্বৰৰ পৰা তিনিটা পৰ্যায়ত হ'বলগীয়া জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ বাবে ভোটাৰসকলক আকৰ্ষিত কৰাৰ উদ্দেশ্যে এই জব্দ কৰা ধন ব্যৱহাৰ কৰিবলৈ অনাৰ সন্দেহ কৰা হৈছে। এইবাৰৰ নিৰ্বাচনত ৮৮ লাখতকৈও অধিক ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিব। কেন্দ্ৰীয় শাসিত অঞ্চলটোত নিৰ্বাচন সম্বন্ধীয় গতিবিধি আৰু নিৰ্বাচন আঁচৰণ বিধি উলংঘাৰ বিষয়সমূহ নিৰীক্ষণ কৰাৰ বাবে জম্মু আৰু শ্ৰীনগৰত মুখ্য নিৰ্বাচন কাৰ্যালয়ত এটা কমাণ্ড আৰু কণ্ট্ৰোল ৰুম স্থাপন কৰা হৈছে। আনহাতে প্ৰতিটো ডি ই অ' মিনি কণ্ট্ৰোল ৰুম স্থাপন কৰা হৈছে।

ooooo

ভাৰতীয় বিদেশ সেৱাৰ ২০২৩ বেটছৰ বিষয়া প্ৰশিক্ষাৰ্থীসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কালি তেওঁৰ বাসভৱনত সাক্ষাৎ কৰে। ১৫ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৩৬ গৰাকী প্ৰশিক্ষণ গ্ৰহণ কৰি থকা বিষয়াই প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰে। আলোচনাৰ সময়ত প্ৰধানমন্ত্ৰীয়ে বিষয়া সকলক যতেই কৰ্মৰত নহ'কক কিয় দেশৰ সংস্কৃতিক গৌৰৱ আৰু মৰ্যদাৰে উপস্থাপন কৰাৰ পৰামৰ্শ দিয়ে। তেওঁ বিষয়াসকলৰ সৈতে বিশ্ব দৰবাৰত ভাৰতৰ স্থিতি কেনেদৰে সলনি হৈছে সেই বিষয়েও আলোচনা কৰে।

ooooo

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী এল মুৰুগানে কৈছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ কাৰ্যকালত উত্তৰ-পূৰ্বাঞ্চলে দ্ৰুত অগ্ৰগতি লাভ কৰিছে। কালি গুৱাহাটীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী মুৰুগানে কয় যে প্ৰধানমন্ত্ৰীয়ে উত্তৰ পূৰ্বঞ্চলৰ উন্নয়নক অগ্ৰাধিকাৰ দিছে। অসমৰ চিৰাং জিলা ভ্ৰমণলৈ অহা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জিলাখনৰ বিভিন্ন উন্নয়নমূলক কাম-কাজৰ তদাৰক আৰু পৰ্যালোচনা কৰিব বুলি জানিবলৈ দিয়ে। এই ভ্ৰমণৰ সময়ত শ্ৰী মুৰুগানে জ্যেষ্ঠ বিষয়াসকলৰ সৈতে গুৱাহাটীত থকা তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ কাৰ্যালয়ৰ কামকাজৰ পৰ্যালোচনা কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকী

**কালি গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত উপস্থিত হোৱাৰ লগে লগে মন্ত্ৰালয়ৰ উচ্চপদস্থ বিষয়াসকলে আদৰণি জনায়।**

০০০০০

আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ ব্যৱসায়ী জাছমিত হাকিমজাদাৰ গোচৰ সন্দৰ্ভত বিধি বলৱৎকাৰী সঞ্চালকালয়ে দিল্লী, অমৃতসৰ, জলন্ধৰ, মুম্বাই, চ'লাপুৰ আৰু ইন্দোৰৰ ১০টা স্থানত তালাচী অভিযান চলায়। ক'লা ধন বৈধকৰণ প্ৰতিৰোধী আইনৰ অধীনত এই তালাচী অভিযান চলোৱা হৈছিল। বিধি বলৱৎকাৰী সঞ্চালকালয়ে ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা এন আই এ জাছমিত হাকিমজাদাৰ বিৰুদ্ধে ৰুজু কৰা এজাহাৰৰ ভিত্তিত এই তালাচী অভিযান চলাইছিল।

০০০০০

বিহাৰৰ ৰাজগীৰত অহা ১১ নৱেম্বৰৰ পৰা চলিত বৰ্ষৰ মহিলাৰ এছিয়ান চেম্পিয়ন ট্ৰফী প্ৰতিযোগিতা আৰম্ভ হ'ব। হকী ইণ্ডিয়াই এই কথা ঘোষণা কৰি কৈছে যে, হকী ইণ্ডিয়া আৰু বিহাৰ চৰকাৰৰ যুটীয়া প্ৰয়াসত ৰাজগীৰ হকী ষ্টেডিয়ামত ১১ নৱেম্বৰৰ পৰা ২০ নৱেম্বৰলৈ এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এছিয়ান হকী ফেডাৰেছনৰ সভাপতি দাতো ফুমিঅ' অগুৰাই মহিলাৰ অষ্টম এছিয়ান ছেম্পিয়ন ট্ৰফী ভাৰতত অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। হকী ইণ্ডিয়াৰ সভাপতি ড০ দিলীপ টিৰ্কীয়ে কৈছে যে, এয়া হকীৰ বাবে এটা ঐতিহাসিক মুহূৰ্ত। যোৱা বছৰ হকী ঝাৰখণ্ডে ৰাঁচীত মহিলাৰ এছিয়ান চেম্পিয়নশ্বিপ ট্ৰফী প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিল।

০০০০০

**পেৰিছ পেৰালিম্পিকত ভাৰতীয় মিক্সড কম্পাউণ্ড আৰ্চাৰী দল শীতল দেৱী আৰু ৰাকেশ কুমাৰে ১৩৯৯ স্কৰ সংগ্ৰহ কৰি নতুন পেৰালিম্পিক অভিলেখ গঢ়িবলৈ সক্ষম হৈছে। ২চেপ্তেম্বৰত ভাৰতীয় যুটিটোৱে শীৰ্ষস্থানৰ খেলুৱৈ হিচাপে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিব। পেৰিছ পেৰালিম্পিকৰ দ্বিতীয় দিনটোত আজি ভাৰতীয় খেলুৱৈসকলে বিভিন্ন শিতানত প্ৰতিযোগীতাত অৱতীৰ্ণ হব। টকিঅ'ত দুটা পদক বিজয়ী অৱনী লেখাৰাই 'আৰ টু' মহিলাৰ ১০ মিটাৰ এয়াৰ ৰাইফল এছ এইচ ১ শাখাত আন এক পদক অৰ্জনৰ লক্ষ্যৰে অৰ্হতা আৰু ফাইনেলত অৱতীৰ্ণ হ'ব। মোনা আগৰৱালাইও আজি একেটা শিতানত অৱতীৰ্ণ হব। টকিঅ' পেৰালিম্পিকৰ ৰূপৰ পদক বিজয়ী ছুহাছ যথিৰাজে আজি গ্ৰুপ পৰ্যায়ৰ দ্বিতীয়খন খেল খেলিব।**

০০০০০

ইউ এছ অপেন টেনিছ প্ৰতিযোগিতাত ভাৰত-অষ্টেলিয়ালৰ ৰোহন বোপান্না আৰু মেথিউ এবডেনে পুৰুষৰ ডাবলছ শাখাৰ প্ৰথমখন খেলত জয়লাভ কৰিছে। যুটীটোৱে ৰবীন হেছ আৰু ছেণ্ডাৰ এৰেন্দছৰ যুটীটোক ৬-৩, ৭-৫ ছেটত পৰাস্ত কৰে। দ্বিতীয় বাছনিৰ বোপান্না আৰু এবডেনৰ যুটীটোৱে দ্বিতীয় ৰাউণ্ডৰ খেলত কাইলৈ আৰ কাৰবালিছ আৰু এফ ক'ৰিয়াৰ বিৰুদ্ধে খেলিব। ইপিনে ৰোহন বোপান্নাই মিক্সড ডাবল শাখাৰ ইণ্ডোনেছিয়াৰ অলডিলা সুতজিয়াদিৰ সৈতে প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব।

পুৰুষৰ ডাবলছ শাখাৰ আন এখন খেলত ভাৰতৰ এন শ্ৰীৰাম বালাজী আৰু ইউকি ভামৰিয়ে তেওঁলোকৰ সহযোগী খেলুৱৈৰ সৈতে দ্বিতীয় ৰাউণ্ডলৈ উন্নীত হৈছে। মহিলাৰ ছিংগলছ শাখাত বিশ্বৰ এক নম্বৰ খেলুৱৈ ইগা স্বুৰেটেগে জাপানৰ এনা শ্বিবাৰাক ৬-০, ৬-১ ছেটত পৰাস্ত কৰি তৃতীয় ৰাউণ্ডলৈ উন্নীত হৈছে। পুৰুষৰ ছিংগলছ শাখাত বিশ্বৰ এক নম্বৰ খেলুৱৈ জানিক ছিনাৰে আমেৰিকাৰ এলেক্স মিছেলছনক ৬-৪, ৬-০, ৬-২ ছেটত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিছে।

ooooo

সমাপ্ত